# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## বুধবাৰ, ৮ জুলাই, ২০২৬

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ, অসম চুক্তি ৰূপায়ণ, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, আবকাৰী, কৃষি, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, জলসম্পদ আৰু ন্যায়।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*বিষয় ঃ* **কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা**

শ্ৰীমতী বেবী বেগম ঃ

১০১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কৃষি ভূমিৰ পৰিমাণ কিমান? ইয়াৰ কিমান ভূমি জলসিঞ্চনৰ ব্যৱস্থাই সামৰি লৈছে? ইয়াৰ সবিশেষ তথ্য চৰকাৰৰ হাতত আছেনে? (বিস্তৃত তথ্যসহ দিব।)

(খ) অসমত মুঠ কিমান জলসিঞ্চনৰ আঁচনি আছে? এই আঁচনিবোৰৰ ভিতৰত কোনখন আঁচনিয়ে কিমান কৃষি ভূমি সামৰি লৈছে? জিলাভিত্তিক আঁচনিৰ সৈতে জড়িত সবিশেষ তথ্য দাখিল কৰিব।

(গ) বৰ্তমান কৰ্মৰ ক্ষেত্ৰত অক্ষম আৰু ৰুগ্ন অৱস্থাত থকা জলসিঞ্চন আঁচনিসমূহৰ কৰ্মক্ষম কৰি তুলিবলৈ কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (তথ্যসহ দাখিল কৰিব।)

(ঘ) ধুবুৰী সমষ্টিত বিগত দহটা বছৰত কিমানটা জলসিঞ্চন আঁচনি নিৰ্মাণ অথবা পুনৰ নিৰ্মাণ কৰা হৈছে? ইয়াৰ বাবে ব্যয় হোৱা ধনৰ পৰিমাণ কিমান? (তথ্যসহ দাখিল কৰিব।)

(ঙ) কৃষিখণ্ডৰ বিকাশৰ বাবে ধুবুৰী সমষ্টিৰ লগতে অসমৰ ১০০ শতাংশ কৃষি ভূমি জলসিঞ্চন আঁচনিৰে সামৰি ল'বলৈ এক যুদ্ধকালীন কাৰ্য্য ব্যৱস্থা গ্ৰহণৰ বিষয়ে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিবনে? (তথ্যসহ দাখিল কৰিব।)

*বিষয় ঃ* মথাউৰি নিৰ্মাণ

শ্ৰীভূপেন ৰায় ঃ

১০২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত থকা মথাউৰিৰ সংখ্যা আৰু দৈৰ্ঘ্য কিমান?

(খ) এই মথাউৰি সমূহৰ ভিতৰত কিমানটা মথাউৰিৰ ম্যাদ উকলি গৈছে?

(গ) যোৱা ৫ বছৰীয়া কাৰ্য্যকালত কিমান মথাউৰি মেৰামতি কৰি উন্নত কৰা হ'ল?

(ঘ) মেৰামতি বা পুনৰ নিৰ্মাণ কৰিবলৈ বাকী থকা মথাউৰিৰ সংখ্যা কিমান? (জিলা অনুসৰি জনাব।)

(ঙ) ৰাজ্যত কিমানটা মথাউৰিক পথ হিচাপে ব্যৱহাৰ কৰিবলৈ পকীকৰণ কৰা হ'ল? (জিলা অনুসৰি তথ্য জনাব।)

*বিষয় ঃ* বহিঃ সাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্প (EAP) সন্দৰ্ভত

শ্ৰীওৱাজেদ আলি চৌধুৰী ঃ

১০৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে জলসম্পদ বিভাগত আঁচনি ৰূপায়ণ কৰাৰ বাবে বিশ্ববেংক, এছিয়ান ডেভেলপমেণ্ট বেংক বা অন্যান্য উৎসৰ পৰা কিমান পুঁজি ঋণ হিচাপে লৈছে? উৎস আৰু পুঁজিৰ পৰিমাণ বিতংকৈ জনাব? (২০২১-২২ৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ।)

(খ) অসম চৰকাৰে উক্ত ঋণৰ সাপেক্ষে কোন কোন নদীত কি কি প্ৰকল্প ৰূপায়ণৰ বাবে গ্ৰহণ কৰিছে? প্ৰকল্পসমূহৰ বাবে মঞ্জুৰ কৰা পুঁজিৰ পৰিমাণ আৰু বৰ্তমানৰ ভৌতিক আৰু বিত্তীয় অগ্ৰগতিসহ বিতংকৈ জনাব।

*বিষয় ঃ* ফলঙনি বোৰতী জলসিঞ্চন আঁচনি

শ্ৰীমৃণাল শইকীয়া ঃ

১০৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ফলঙনি বোৰতী জলসিঞ্চন মৃত আঁচনিখন পুনৰুজ্জীৱিত কৰিবৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) উক্ত আঁচনিখন কেতিয়া স্থাপিত হৈছিল আৰু কোন বৰ্ষত বন্ধ হৈছিল বিভাগে জনাবনে?

*বিষয় ঃ* ৬ নং দফা

ডাঃ আছিফ মঃ নাজাৰ ঃ

১০৫। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসম চুক্তি ৬ নং দফা চৰকাৰে কাৰ্য্যকৰী কৰিবলৈ কি কি ব্যৱস্থা হাতত লৈছে?

*Sub.* : **Illegal immigrants and Border fencing in Mankachar LAC.**

Md. MOHIBUR ROHMAN :

106. Will the Minister of Border Protection and Development Department be pleased to state :

(a) Will the Government furnish the list of numbers of persons declared foreigners by foreigners Tribunals and deported from Assam to Bangladesh during the last 5 years (year-wise).

(b) Please furnish the current number of D-Voters and pending cases before the foreigners Tribunals in Assam.

(c) Please furnish the present status of Indo-Bangladesh border

fencing in Mankachar Constituency, including the total length sanctioned, completed and remaining to be completed.

(d) Has the Government any plan to stop illegal infiltration risks from Bangladesh through porous Meghalaya border.

*Sub.* : **Regarding restoration and protection of rivers in Mariani LAC.**

Shri RUPJYOTI KURMI :

107. Will the Minister of Water Resources Department be pleased to state :

(a) Whether the Government is aware of the need for restoration and protection works along the Janji river, Bhogdoi river, Teok river and Puthi Nadi in the Mariani LAC area ?

(b) If so, whether the Government will take up any protective/restoration measures along these rivers ?

(c) If so, by when such works will be sanctioned and commenced ?

*বিষয় ঃ* ধান উৎপাদিত

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

১০৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০২১ চনৰ পৰা এতিয়ালৈকে কিমান ধান উৎপাদন হ'ল? (বছৰ অনুসৰি তথ্য দিব।)

(খ) কৃষকক ধান উৎপাদন বৃদ্ধি কৰিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) এই আঁচনিসমূহৰ ভিতৰত কৃষি সঁজুলি, কৃষি সাহাৰ্য্যৰ পৰিমাণ কিমান? (আঁচনিসমূহ পৃথক পৃথককৈ ৰাজ সাহাৰ্য্যৰ সৈতে তথ্য দিব।)

(ঘ) কৃষকে এইবাৰ বড়ো ধানৰ খেতি সামৰাৰ পিছত উচিত দামৰ পৰা বঞ্চিত হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঙ) যদি অৱগত, তেন্তে তেওঁলোকক সহায় কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে জনাব।

*বিষয় ঃ* **বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন আৰু দিব্যাংগৰ পেঞ্চনৰ ধন বৃদ্ধি সন্দৰ্ভত।**

শ্ৰীঅখিল গগৈ ঃ

১০৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য্য কাৰ্যসূচী (NSAP) আৰু ৰাজ্যিক আঁচনিৰ অধীনত বৃদ্ধ, বিধৱা আৰু দিব্যাংগসকলৰ বাবে আৱণ্টিত সামাজিক সুৰক্ষা পেঞ্চনৰ পৰিমাণ বৰ্তমানৰ বজাৰ মূল্যৰ সৈতে সংগতি ৰাখি বৃদ্ধি কৰাৰ কোনো পৰিকল্পনা চৰকাৰৰ আছে নেকি? অসমৰ সৰ্বমুঠ বৃদ্ধ, বিধৱা আৰু দিব্যাংগ লোকৰ মুঠ সংখ্যা কিমান আৰু তাৰে কিমানে পেঞ্চন লাভ কৰে, জিলা ভিত্তিক তথ্য দিব।

(খ) সামগ্ৰিকভাৱে হিতাধিকাৰীৰ যোগ্যতা পুনৰীক্ষণ (Re-verification) প্ৰক্ৰিয়াত হোৱা অনিয়মৰ বাবে কিমান হাজাৰ প্ৰকৃত দৰিদ্ৰ পৰিয়াল বৰ্তমান এই পেঞ্চন লাভৰ পৰা বঞ্চিত হৈ আছে আৰু ইয়াৰ সুনিৰ্দিষ্ট জিলাভিত্তিক তথ্য কি জনাব?

*বিষয় ঃ* **পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনি সম্পৰ্কে।**

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

১১০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে কি কি আঁচনি ৰূপায়ণ হৈ আছে? (সদনত উল্লেখ কৰিব।)

(খ) ষষ্ঠদশ বিত্তীয় আয়োগ কেতিয়াৰ পৰা ৰূপায়ণ কৰা হ'ব? ইয়াৰ সুনির্দ্দিষ্ট Guide Line কি আছে? গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত, জিলা পৰিষদ ভেদে বিতংকৈ সদনৰ মজিয়াত দাখিল কৰিব।

(গ) ৭ নং গৌৰীপুৰ সমষ্টিত পঞ্চদশ বিত্তীয় আয়োগৰ জৰিয়তে বালাজান আৰু আটানি উন্নয়ন খণ্ডত কি কি আঁচনি ৰূপায়ণ হৈ আছে (Phase wise) আৰু লগতে MGNREGAৰ কিমান আঁচনিৰ কাম on going হৈ আছে, সদনত বিতংভাৱে উল্লেখ কৰিব।

(ঘ) গ্ৰামোন্নয়ন বিভাগত কিমানটা মঞ্জুৰিকৃত পঞ্চায়ত সচিবৰ পদ খালী হৈ আছে? জিলা ভিত্তিক তথ্য দিব।

(ঙ) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ হাট আৰু ঘাটসমূহ কোনে চলাই আছে আৰু কি নিয়মৰ ভিত্তিত আৱণ্টন দিয়া হৈছে? ধুবুৰী জিলাৰ কোন কোন হাট-ঘাট কোন কোন ব্যক্তি বা প্ৰতিষ্ঠানক দিয়া হৈছে? তালিকাসহ তথ্যসহকাৰে জনাব।

*বিষয় ঃ* **আঁচনি সম্পৰ্কে**

শ্ৰীমেহবুব মোক্তাৰ ঃ

১১১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিত ২০২১ চনৰ পৰা ৰূপায়ণ কৰা আঁচনি আৰু আঁচনিসমূহৰ সুবিধাভোগীৰ সংখ্যাৰ সবিশেষ প্ৰদান কৰিব।

(খ) ধিং সমষ্টিত কৃষকসকলক প্ৰদান কৰা বীজ, সাৰ আৰু কৃষি সঁজুলিৰ পৰিমাণ কিমান আৰু এইবোৰ বিতৰণৰ ব্যৱস্থা কেনেদৰে কৰা হয়? জনাব।

(গ) বানপানী আৰু প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কৃষকসকলক বিগত পাঁচ বছৰত কিমান আৰ্থিক সাহাৰ্য্য প্ৰদান কৰা হৈছে? সবিশেষ জনাব।

(ঘ) "কৃষক সন্মান নিধি" (PM-KISAN) আঁচনিৰ অধীনত ধিং সমষ্টিৰ কিমানজন কৃষক অন্তৰ্ভুক্ত হৈছে আৰু কিমানজন বঞ্চিত হৈ আছে?

(ঙ) ধিং সমষ্টিত কৃষিজাত সামগ্ৰী সংৰক্ষণৰ বাবে শীতল ভঁৰাল নিৰ্মাণৰ কোনো পৰিকল্পনা আছে নেকি?

(চ) সমষ্টিটোত কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ ন্যায্য মূল্য নিশ্চিত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **জলসিঞ্চনৰ আঁচনি ৰূপায়ণ**

মোঃ নুৰুল হুদা ঃ

১১২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসম চৰকাৰে জলসিঞ্চন বিভাগৰ জৰিয়তে কি কি জলসিঞ্চন আঁচনি ৰূপায়ণ কৰি আছে? আঁচনিসমূহৰ নাম, উদ্দেশ্য, ৰূপায়ণৰ নিয়ম আৰু বৰ্তমানৰ অগ্ৰগতিৰ তথ্য সদনত জনাব।

(খ) বৰ্তমান অসমত কিমান হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ সুবিধা আছে? ৰাজ্যখনৰ জলসিঞ্চনৰ চাহিদা সম্পূৰ্ণৰূপে পূৰণ হৈছে নে? যদি হোৱা নাই, তেন্তে এই ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিৱৰণ সদনত জনাব।

(গ) অসমৰ কোন কোন জিলাত কিমানটা জল উত্তোলন আঁচনি আছে? বিধানসভা সমষ্টিভিত্তিকভাৱে মুঠ আঁচনি, কাৰ্য্যক্ষম আঁচনি আৰু বিকল আঁচনিৰ সংখ্যা সম্বলিত তালিকা সদনত দাখিল কৰিব।

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ সন্দৰ্ভত**

শ্ৰীদীপক কুমাৰ দাস ঃ

১১৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা (SC) সমষ্টিৰ বহৰি অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধ, ঐতিহ্যপূৰ্ণ ধৰ্মীয় স্থান শ্ৰীশ্ৰীহৰিদেৱ সত্ৰ আৰু প্ৰাচীন ডক্ৰেশ্বৰ দেৱালয়ৰ অস্তিত্ব সুৰক্ষাৰ বাবে চৰকাৰে কোনো বিশেষ ব্যৱস্থা গ্ৰহণৰ হেতু ২০২৬-২৭ বৰ্ষৰ বাজেটত ধন আৱণ্টন দিছে নেকি? যদি দিছে তাৰ বিৱৰণ দিব।

(খ) সত্ৰ-সংস্কৃতিৰ পবিত্ৰ পীঠস্থান বৰপেটাৰ কাষেৰে প্ৰবাহিত নখন্দা নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ২০২৬-২৭ বৰ্ষৰ বাজেটত কোনো বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে নেকি? যদিহে গ্ৰহণ কৰিছে, জনাব।

*বিষয় ঃ* **একাংশ গাঁও নিজ জিলাৰ উন্নয়ন খণ্ডলৈ স্থায়ীভাৱে স্থানান্তৰকৰণ সন্দৰ্ভত।**

শ্ৰীঅৰূপ কুমাৰ দে' ঃ

১১৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিজনী সমষ্টিৰ অন্তৰ্গত কিমানখন গাঁও চিৰাং জিলাৰ অধীনত থকাৰ পিছতো বৰ্তমানলৈকে বঙাইগাঁও জিলাৰ "মানিকপুৰ উন্নয়ন খণ্ড"ৰ সৈতে সংলগ্ন হৈ আছে? (সম্পূৰ্ণ তালিকা সদনত দাখিল কৰিব)।

(খ) জিলা আৰু উন্নয়ন খণ্ড বেলেগ বেলেগ হোৱা বাবে ৰাইজে চৰম হাৰাশাস্তি তথা খেলি-মেলিৰ সন্মুখীন হৈ অহাটো চৰকাৰ অৱগত নে?

(গ) ৰাইজৰ বৃহত্তৰ স্বাৰ্থ আৰু প্ৰশাসনিক সৰলীকৰণৰ বাবে উক্ত গাঁওসমূহক বঙাইগাঁও জিলাৰ "মানিকপুৰ উন্নয়ন খণ্ড"ৰ পৰা আঁতৰাই চিৰাং জিলাৰ "বৰ বজাৰ উন্নয়ন খণ্ড, বিজনী" লৈ স্থায়ীভাৱে স্থানান্তৰ কৰিব নেকি? যদি কৰে, এই প্ৰক্ৰিয়া কেতিয়ালৈকে সম্পূৰ্ণ কৰা হ'ব জনাবনে?

*বিষয় ঃ* **জলসম্পদ সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

১১৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৰাখহনীয়া প্ৰতিৰোধৰ বাবে গোৱালপাৰা Town Protection ৰ কাৰণে বলদমাৰী চৰ আৰু গোৱালপাৰা আৱৰ্ত ভৱনৰ পৰা পঞ্চৰত্ন পাহাৰলৈ কি কি আঁচনিৰ কাম কৰা হৈছে, কি কি আঁচনিৰ কাম চলি আছে আৰু কি কি আঁচনিৰ কাম কৰা হ'ব? এই কাম সমূহ কোন কোন ঠিকাদাৰ বা প্ৰতিষ্ঠানক দিয়া হৈছে? এই আঁচনি সমূহৰ কিমান টকা Payment কৰা হৈছে আৰু কিমান টকা বাকী আছে? ইয়াৰ প্ৰত্যেকটোৰ কামৰ DPR (Estimate)ৰ কপি তালিকাসহ জনাব।

(খ) Road cum Embankment আঁচনিৰ দ্বাৰা গোৱালপাৰা টাউন Protection Tie Bund, Balbala to Khagrabari Phase II আৰু Sarapara to Bamunpara ৰ কাম কেইটা কেতিয়া আৰু কিমান দিনৰ ভিতৰত কৰা হ'ব? জনাব।

(গ) গোৱালপাৰা পূব বিধান সভা সমষ্টিৰ নৱাগত শিমলীতোলাৰ পৰা পঞ্চৰত্ন পাহাৰলৈ প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ ফলত হাজাৰ হাজাৰ বিঘা মাটি আৰু ঘৰ বাৰী উটুৱাই লৈ গৈ আছে, ইয়াৰ কোনো প্ৰতিকাৰৰ ব্যৱস্থা চৰকাৰে কৰিবনে? যদি নকৰে, কিয় আৰু যদি কৰিব, কিমান দিনৰ ভিতৰত কৰিব, তথ্য সহকাৰে জনাব।

(ঘ) পঞ্চৰত্ন-ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্মাণ হোৱা দ্বিতীয়খন দলঙৰ ফলত পঞ্চৰত্নৰ পৰা পাগলাৰটেকলৈ গৰাখহনীয়া বৃদ্ধি পাইছে, এই গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিবনে? তথ্য সহকাৰে জনাব।

(ঙ) গোৱালপাৰা জিলাৰ বলবলা অঞ্চলত থকা জিনাৰী নদী আৰু কৃষ্ণাই নদীৰ দুয়োকাষেৰে স্থায়ী বান্ধ নিৰ্মাণ কৰি Flash Flood সমস্যাৰ পৰা ৰক্ষা পাবলৈ চৰকাৰে কিবা আঁচনি হাতত লৈছেনে? যদি লৈছে, সেয়া কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব আৰু যদি লোৱা নাই কিয়? তথ্যসহ জনাব।

*Sub.* : **Details of Various Project of Water Resources Department.**

Shri RAJDEEP GOALA :

116. Will the Minister of Water Resources Department be pleased to state :

(a) Does the Government plan to protect the following areas on the bank of Madhura River located under my Udharbond LAC ?

(i) Nayagram
(ii) Jagannath Mandir (Manipuri Para).
(iii) Shib Bari, Nayagram
(iv) Gossaipur part 2
(v) Gossaipur

(b) Does the Government plan to protect the following areas on the bank of Barak River located in the Silchar Municipal Corporation area under Udharbond LAC ?

(i) Karatigram
(ii) B. C Gupta
(iii) Angarjur
(iv) Gangapara
(v) Gossaipur

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ সম্পৰ্কে**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

১১৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নামনি অসমৰ বৰপেটা, গোৱালপাৰা, ধুবুৰী আৰু দক্ষিণ শালমাৰা জিলাত গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে কোন কোন আঁচনিৰ অধীনত কি কি প্ৰকল্প বিভাগে গ্ৰহণ কৰিছে? প্ৰকল্প সমূহৰ নাম, মঞ্জুৰীকৃত ধনৰ পৰিমাণ আৰু অগ্ৰগতি সহ বিতং তালিকা সদনত দাখিল কৰিব।

(খ) চেঙা সমষ্টিৰ কাছুমাৰা, মহচৰা, খোলাবান্ধা, আলোপতি মাজাৰচৰ, উজিৰৰ চৰ, ৰামাপাৰা ধৰ্মপুৰ, ভাতনাবাইতি, কদমতলা, বৌমাৰী, দক্ষিণ গুদনি, হৰিপুৰ, পালহাজী, বামুন দংৰা, দংৰা, আগমন্দিয়া যাদৱপুৰ আৰু দিগিৰপাম মানিকপুৰ পঞ্চায়তত অব্যাহত থকা ভয়াবহ গৰাখহনীয়াৰ বিষয়ে চৰকাৰ অৱগত নে?

(গ) উক্ত গাঁও পঞ্চায়ত সমূহৰ অন্তৰ্গত পকীৰাস্তা, বিভিন্ন শিক্ষানুষ্ঠান, আৰক্ষী চকী, পৰিদৰ্শন বঙলা, স্বাস্থ্যকেন্দ্ৰ, উপস্বাস্থ্যকেন্দ্ৰ, বজাৰ আদি অনুষ্ঠান প্ৰতিষ্ঠান সমূহ গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিব?

*Sub.* : **Border Area Development**

Shri PANIRAM BRAHMA :

118. Will the Minister of Border Protection and Development Department be pleased to state :

(a) Is the Govt. aware that Sidli-Chirang (ST) LAC has been connected with international Royal Bhutan Border which is very sensitive and urgent need of good road connectivity and infrastructure Development of the Border areas ?

(b) If aware, then, will the Govt. do the needful and survey the Border areas and allot sufficient fund to develop the road connectivity and infrastructure Development in this financial year 2026-2027 ?

*বিষয় ঃ* **নতুনকৈ উন্নয়ন খণ্ড গঠন কৰাৰ বাবে**

শ্ৰীভবেশ কলিতা ঃ

১১৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

৩১ নং ৰঙিয়া বিধান সভা সমষ্টিত ২৫ খন গাঁও পঞ্চায়তৰ ভিতৰত মাত্ৰ ১ টা উন্নয়ন খণ্ড আছে। উক্ত সমষ্টিত অন্য এটি উন্নয়ন খণ্ড গঠনৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা হাতত লৈছে?

*বিষয়ঃ* **জেলা পরিষদের আসন শূন্য সম্পর্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

১২০। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) সর্বশেষ পঞ্চায়েত নির্বাচনের পর বিনা প্রতিদ্বন্দ্বিতায় (Uncontested) থাকার কারণে কতগুলি গাঁও পঞ্চায়েত, আঞ্চলিক পঞ্চায়েত এবং জেলা পরিষদের আসন শূণ্য ছিল? এছাড়াও মৃত্যু, পদত্যাগ, অযোগ্যতা ঘোষণা বা অন্য কোনো কারণে পরবর্তীকালে কতগুলি আসন শূণ্য হয়েছে? স্তরভিত্তিক বিস্তারিত তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

(খ) উক্ত শূণ্যপদগুলির কারণে পঞ্চায়েত রাজ প্রতিষ্ঠানগুলির কার্যক্রমের উপর কী প্রভাব পড়েছে সে বিষয়ে সরকার কোনো মূল্যায়ন করোছে কি? যদি করে থাকে তাহলে আগামীতে এই ব্যাপারে সরকার কী ধরনের পদক্ষেপ গ্রহণ করবে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

(গ) উক্ত শূণ্য আসনগুলি পূরণের জন্য সরকার কী কী পদক্ষেপ গ্রহণ করেছে বা গ্রহণ করার পরিকল্পনা রয়েছে তার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

*বিষয় ঃ* **পঞ্চায়তীৰাজ প্ৰতিষ্ঠানলৈ আৱণ্টিত ধন আৰু ইয়াৰ সদ্ব্যৱহাৰ।**

মোঃ নুৰুল ইছলাম ঃ

১২১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগলৈ বিগত ৫ বছৰ কোন কোন উৎসৰ পৰা সৰ্বমুঠ কিমান টকা আৱণ্টিত হৈছে? এই ধন বিভাগে কোন জিলালৈ কিমান হাৰত মোকলাই দিলে? (উক্ত প্ৰতিটো উৎসৰ পৰা প্ৰাপ্ত আৰু জিলাভিত্তিক মোকলাই দিয়া ধনৰ বৰ্ষভিত্তিক উত্তৰৰ সৈতে বিস্তৃত তথ্য সংলগ্ন কৰিব।)

(খ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে জিলাভিত্তিক ধন আৱণ্টনৰ ক্ষেত্ৰত কি কি পৰিমাপৰ ওপৰত নিৰ্ভৰ কৰি ধনৰ আৱণ্টন হ্ৰাস বৃদ্ধি কৰে? এই ধন আৱণ্টনৰ ক্ষেত্ৰত জনসংখ্যাৰ আনুপাতিক দিশ, সংশ্লিষ্ট জিলাৰ আৰ্থ-সামাজিক পশ্চাদপদতাৰ দিশবোৰো বিবেচনা কৰা হয় নে? (উত্তৰৰ সৈতে বিস্তৃত তালিকা সংলগ্ন কৰিব।)

(গ) বঙাইগাঁও জিলালৈ উক্ত সময়ছোৱাত সৰ্বমুঠ কিমান টকা কোন কোন উৎসৰ পৰা আৱণ্টন দিয়া হৈছে? উক্ত ধনেৰে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? (আঁচনি ৰূপায়ণকাৰী প্ৰতিষ্ঠানৰ নাম আৰু সময়কালৰ উল্লেখসহ উত্তৰ বিস্তৃত তথ্যসহ দাখিল কৰিব।)

(ঘ) সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত উক্ত সময়ছোৱাত কোন উৎসৰ কিমান টকা ব্যয় কৰা হৈছে? ইয়াৰ দ্বাৰা কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? (উত্তৰৰ সৈতে আঁচনি ৰূপায়ণকাৰী এজেন্সীৰ নাম উল্লেখসহ বৰ্ষভিত্তিত বিস্তৃত তথ্য দাখিল কৰিব।)

*বিষয় ঃ* **কৃষি খণ্ডৰ আন্তঃগাঁথনি উন্নয়ন আৰু মধ্যভোগী দালাল সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

১২২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আমাৰ অসম ৰাজ্যৰ কৃষি খণ্ডৰ আন্তঃগাঁথনি আধুনিক প্ৰযুক্তিবিদ্যাৰে উন্নীত কৰণৰ কাম কিমান পৰ্য্যায়লৈ আগবাঢ়িছে আৰু এই ক্ষেত্ৰত চৰকাৰে কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) দৰং জিলাৰ অন্তৰ্গত ৫১ নম্বৰ দলগাঁও বিধানসভা সমষ্টিৰ নব্বৈ শতাংশ মানুহ কৃষিজীৱী। কৃষক সকলৰ সুবিধাৰ্থে আধুনিক প্ৰযুক্তিযুক্ত মেচিন যোগান ধৰিবলৈ চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি আৰু এই ক্ষেত্ৰত কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

(গ) কৃষক সকলে উৎপাদন কৰা শস্য, শাক-পাচলি আৰু কৃষি সামগ্ৰী মধ্য ভোগী দালালৰ বাবে বজাৰত উচিত মূল্য নাপাই বছৰৰ শেষত কৃষক সকলে লোকচানৰ সন্মুখীন হ'ব লগা হয়। গতিকে কৃষক সকলৰ উৎপাদিত কৃষি সামগ্ৰী বজাৰত উচিত মূল্য পাবৰ বাবে চৰকাৰে কি ধৰণৰ পৰিকল্পনা কৰিছে আৰু মধ্যভোগী দালালৰ ক্ষেত্ৰত চৰকাৰে কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব বা কৰিছে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

*বিষয় ঃ* **মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনা সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

১২৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ লগতে জলেশ্বৰ সমষ্টিটোত যোৱা ২০২১ চনৰ পৰা ২০২৫ চনলৈকে মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনাৰ অধীনত কিমানটা আঁচনি ৰূপায়ণ কৰা হৈছে? তথ্য সহকাৰে জনাব।

(খ) যদি কোনো ধৰণৰ আঁচনি ৰূপায়ণ কৰা হোৱা নাই? কিয় হোৱা নাই, তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **বিভাগটোৰ কাম-কাজ, কৃষি ভূমিৰ পৰিমাণ, মূল শস্যৰ উৎপাদন ইত্যাদি।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

১২৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা এতিয়ালৈকে বিভাগটোৰ কাম-কাজৰ খতিয়ান (আঁচনি বা প্ৰকল্পৰ নাম আৰু আবণ্টিত পুঁজিৰ পৰিমাণ আৰু প্ৰকৃত ব্যয়ৰ সৈতে) দাখিল কৰিব।

(খ) অসমত বৰ্তমান কৃষি ভূমিৰ পৰিমাণ পূৰ্বতকৈ হ্ৰাসহৈছে নেকি? যদি হৈছে তাৰ কাৰণ কি? ২০১৬ চনৰ পৰা এতিয়ালৈকে কৃষি ভূমিৰ তালিকা দিব। কিমান কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে?

(গ) অসমত বছৰত এবাৰ আৰু দুবাৰ কিমান কৃষি ভূমিত কৃষি কাৰ্য্য সম্পাদন কৰা হয়? বিভিন্ন জিলাত ২০১৬ ৰ পৰা এতিয়ালৈকে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত হোৱা লোকচানৰ তথ্য (টকাৰ পৰিমাণৰ সৈতে) আৰু কিমান কৃষকক সাহাৰ্য্য দিয়া হৈছে তাৰ জিলাভিত্তিক তথ্য দিব।

(ঘ) অসমত কিমান কৃষক আছে? ৰাজ্যৰ GDP লৈ কৃষিৰ অৰিহণা (২০১৬ ৰ বৰ্তমানলৈ) কিমান? ন্যূনতম সমৰ্থন মূল্যত (কোন সামগ্ৰীত কিমান MSP) কি কি খাদ্য সামগ্ৰী কৃষকৰ পৰা ক্ৰয় কৰা হৈছে তাৰ বিতং তথ্য (২০১৬ ৰ পৰা এতিয়ালৈকে) দাখিল কৰিব।

(ঙ) অসমৰ কোন জিলাত কিমান চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ শীতল ভঁৰাল আছে তাৰ তালিকা দিব। জিলাসমূহত অচল হৈ থকা শীতল ভঁৰালৰ তালিকা দিব। শীতল ভঁৰাল নিৰ্মাণৰ বাবে কি আঁচনি আছে বিতংকৈ জনাব।

(চ) ২০১৬ ৰ পৰা এতিয়ালৈকে অসমত ধানকে ধৰি আন মূল শস্যৰ মুঠ উৎপাদন (উদ্যান শস্যৰ সৈতে)। ২০১৬ ৰ পৰা কোন ভাৰতৰ অন্য ৰাজ্য আৰু বিদেশী ৰাষ্ট্ৰলৈ কি কি সামগ্ৰী কিমান ৰপ্তানি কৰা হ'ল তাৰ সম্পূৰ্ণ তালিকা দাখিল কৰিব।

*Sub.* : **Jamuna Irrigation Project.**

M. BADRUDDIN AJMAL :

125. Will the Minister of Irrigation Department be pleased to state :

(a) Whether the Government is aware that, despite 94 percent of the total land of the Jamuna Irrigation Project being located in Jamunamukh-Hojai-Lumding Irrigation Division (or Hojai Division), the project's main 'Headworks' has alreday been placed under the jurisdiction of the Diphu Irrigation Division in Karbi Anglong district.

(b) Whether the Government is aware that, following the transfer of the project's 'Headworks', the situation is no longer under the control of the Hojai Irrigation Division— particularly regarding the prevention of artificial flooding or mitigating the impact of prolonged dry spells across the project's vast 'command are' (irrigated zone) — and that the Hojai Irrigation Division has already apprised the Government of this matter.

(c) Whether the Government will reconsider the transfer of the 'Headworks' in the interest of maintaining the functionality and sustainability of a vital irrigation project like the Jamuna Irrigation project ?

(d) If so, how this will be done ; and if not, what steps the Government plans to take in this regard— please furnish details.

*বিষয় ঃ* **কাৰ্য্যক্ষম জলসিঞ্চন আঁচনি**

শ্ৰীভূপেন ৰায় ঃ

১২৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জলসিঞ্চন ব্যৱস্থাই সামৰি ল'ব পৰা কিমান কৃষি ভূমি আছে? (জিলা ভিত্তিক তথ্য দিব।)

(খ) এই কৃষিভূমিৰ ভিতৰত কিমান মাটিত জলসিঞ্চন ব্যৱস্থা আছে আৰু কিমান মাটি এতিয়াও জলসিঞ্চনৰ বাহিৰত আছে? (জিলাভিত্তিক তথ্য দিব।)

(গ) বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চন কিমান আঁচনি কাৰ্য্যক্ষম আৰু বিকল হৈ আছে? (জিলাভিত্তিক তথ্য দিব।)

(ঘ) জলসিঞ্চনৰ বাহিৰত থকা ভূমিত জলসিঞ্চন ব্যৱস্থা সামৰি লবলৈ আঁচনি গ্ৰহণ কৰিছেনে? (আঁচনিৰ সবিশেষ পুঁজি অনুসৰি তথ্য দিব।)

*বিষয় ঃ* **কাঁইটিয়া তাঁৰৰ ব্যৱস্থা**

ডাঃ আচিফ মঃ নাজাৰ ঃ

১২৭। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম বাংলাদেশ সীমান্তত এতিয়াও কিমান খিনি ঠাই উন্মুক্ত হৈ আছে?

(খ) উন্মুক্ত অঞ্চলসমূহত কাঁইটিয়া তাঁৰৰ বেৰ কেতিয়া দিয়া হ'ব?

*Sub.* : **Erosion protection measures etc.**

Shri SHERMAN ALI AHMED :

128. Will the Minister of Water Resources Department be pleased to state :

(a) Is the Government aware of serious erosion of river Chaulkhowa in the following villages :

Gagalmari (L/B & R/B), Bheragaon (L/B), Rangapani (L/B), Medhirtary (L/B), Rupakuchi (L/B & R/B), Kandapara (L/B & R/B), Gurala (R/B), Gobindapur (R/B) ?

(b) If yes, would the Government be pleased to take immediate protection measures ?

(c) What are the proposals submitted under PDNA for 2025-26 by WRD ?

(d) What is the present status of approval ?

(e) What is the present status of approval of proposals under SDMF for 2026-27 submitted by Barpeta WRD ?

(f) In view of serious erosion now going on, would the Government be pleased to accord "Go Ahead" for implementation of proposals under M&R for 2026-27 submitted by Barpeta WRD vide No. BWRD/ESTT-20/Pt-I/2022/262 dated 06-06-2026 ?

(g) What is the present status of implementation of ADB Project from Bahari to Baghbar ? Please furnish details.

(h) What is the present status of the 15th FC scheme for Satrakanara area ?

*বিষয় ঃ* **এম জি এনৰেগা, আঁচনি সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

১২৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এম জি এনৰেগা, আঁচনিৰ বাবদ শ্ৰমিকক মজুৰি দিবলৈ বাকী আছে নেকি? যদি আছে, কোন কোন ব্লকত কিমান বাকী আছে? জনাব।

(খ) এম জি এনৰেগা, আঁচনিৰ কোন কোন ব্লকত কিমান টকা Materialৰ বাবদ দিবলগীয়া আছে? উন্নয়ন খণ্ড হিচাপে তালিকা দিব। এই পুঁজি কেতিয়া মুকলি কৰা হ'ব? জনাব।

(গ) যোৱা বিত্তীয় বৰ্ষত কোন উন্নয়ন খণ্ডত কিমান শ্ৰমিকে ১০০ দিনৰ কাম পাইছে? উন্নয়ন খণ্ড অনুসৰি তালিকা দিব।

(ঘ) VB-G RAM G অধীনত অসমে এতিয়ালৈকে কিমান পুঁজি কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰিছে? এই পুঁজি উন্নয়ন খণ্ড ভিত্তিত কি পদ্ধতিত বিভাগে অনুমোদন দিব? বিতংকৈ জনাব।

*বিষয়* ঃ কৃষি বিভাগৰ আঁচনি সম্পৰ্কে

শ্ৰীতাঞ্জিল হুছেইন ঃ

১৩০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত APART Schemeৰ অধীনত ক'ত ক'ত কি কাম চলি আছে? (সমষ্টি ভিত্তিত তালিকাসহ জনাব।)

(খ) এই আঁচনিৰ অধীনত চলি থকা কাম সমূহৰ কিমান শতাংশ কাম শেষ হৈছে আৰু কিমান বাকী আছে? বাকী থকা কামসমূহ কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

(গ) অসমত কৃষি বিভাগত কিমান আঁচনি চলি আছে? তাৰে কিমান আঁচনি ৫৮ নং চামগুৰী বিধানসভা সমষ্টিত চলি আছে? বিতং তথ্য সদনত দিব।

(ঘ) উক্ত সমষ্টিত খেতিয়ক সকল উপকৃত হোৱাকৈ কি কি শস্যৰ বীজ খেতিয়কক দিয়া হৈছে আৰু কিমান পৰিমাণৰ দিয়া হৈছে?

*Sub.*: **Irrigation Projects in Mankachar LAC.**

Md. MOHIBUR ROHMAN :

131. Will the Minister of Irrigation Department be pleased to state :

(a) Please furnish the details of irrigation Projects completed and those currently under construction in the Mankachar Legislative Assembly constituency during the last three years.

(b) Whether the Government has any proposal to undertake new irrigation projects in the char (riverine) areas under Mankachar Legislative Assembly constituency.

(c) If so, please furnish the details of such proposed projects, including the estimated cost, source of funding, area proposed to be covered, and likely date of commencement.

(d) Please furnish the present status of the sluice gate at Kudalbhanga under Pankata Gaon Panchayat.

(e) Whether the said sluice gate is currently functional, if not, please furnish the reasons for its non-functioning.

(f) Whether any inspection or assessment of the sluice gate has been conducted during the last three years and the finding thereof.

(g) A vast farming land under Moynabanda area of Fekamari Gaon Panchayat remains flooded for the most part of the year. Is there any plan to revive that area and make the landscape usable for farmers again ?

*বিষয়* ঃ কলহী নদীৰ গৰাখহনীয়া সম্পৰ্কে

শ্ৰীহিমাংশু শেখৰ বৈশ্য ঃ

১৩২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

পলাশবাৰী সমষ্টিৰ অন্তৰ্গত কলহী নদীৰ গৰাখহনীয়াৰ বাবে নৈপৰীয়া বহু গাঁৱৰ ৰাইজৰ ঘৰ-বাৰী উছন্ন হৈছে। ৰাস্তা-ঘাট বিধ্বস্ত হৈছে। উক্ত অঞ্চলৰ গৰাখহনীয়া ৰোধৰ বাবে বিভাগীয় কৰ্তৃপক্ষই কিবা ব্যৱস্থা গ্ৰহণৰ পৰিকল্পনা কৰিছে নেকি?

*বিষয় ঃ* **মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনা আঁচনি সম্পৰ্কে।**

মোঃ আশ্ৰাফুল ইছলাম শ্বেখ ঃ

১৩৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোক্ৰাঝাৰ জিলাৰ লগতে পৰ্বতঝোৰা সমষ্টিটোত যোৱা ২০২১ চনৰ পৰা ২০২৫ চনলৈকে মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনাৰ অধীনত কিমানটা আঁচনি ৰূপায়ণ কৰা হৈছে? তথ্য সহকাৰে জনাব।

(খ) যদি কোনো ধৰণৰ আঁচনি ৰূপায়ণ কৰা হোৱা নাই কিয় হোৱা নাই তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **আইন মহাবিদ্যালয় সম্পৰ্কে**

ড০ জয় প্ৰকাশ দাস ঃ

১৩৪। মাননীয় ন্যায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লখিমপুৰৰ আজাদ অঞ্চলত আইন মহাবিদ্যালয় স্থাপন আৰু ইয়াৰ আন্তঃগাঁথনি, ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পিছতো আজিলৈকে কিয় কাৰ্যক্ষম হোৱা নাই? জনাব।

(খ) মহাবিদ্যালয়খন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কোনো প্ৰশাসনিক, আৰ্থিক বা অন্যান্য বাধা আছে নেকি? যদি আছে তাৰ সবিশেষ তথ্য দাখিল কৰিব।

(গ) উক্ত আইন মহাবিদ্যালয়খন কেতিয়াৰ ভিতৰত কাৰ্যকৰী কৰাৰ পৰিকল্পনা আছে? জনাব।

*বিষয় ঃ* **কৃষি উপযোগী মাটিৰ ব্যৱহাৰ**

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

১৩৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত কৃষি উপযোগী মাটিৰ পৰিমাণ কিমান? (জিলা অনুসৰি তথ্য দিব।)

(খ) এই মাটিৰ ভিতৰত কিমান পৰিমাণৰ মাটি কৃষি কাৰ্য্যত ব্যৱহাৰ হৈ আছে আৰু ব্যৱহাৰৰ বাহিৰত আছে? (জিলা ভিত্তিত তথ্য দিব।)

(গ) কৃষি কাৰ্য্যত ব্যৱহাৰ হৈ থকা মাটিৰ ভিতৰত কি কি খেতি কিমান মাটিত কৰা হৈ আছে?

(ঘ) কৃষকৰ উৎপাদিত শাক-পাচলি সংৰক্ষণ কৰিবলৈ চৰকাৰী খণ্ডত কিমান শীতলীকৰণ ভঁৰাল আছে আৰু ইয়াৰে কাৰ্য্যক্ষম হৈ থকা আৰু অচল হৈ থকা শীতলীকৰণ ভঁৰাল কিমান? (জিলা অনুসৰি তথ্য দিব।)

*বিষয় ঃ* **MGNREGA আৰু ঠিকাভিত্তিক কৰ্মচাৰী।**

শ্ৰীমেহবুব মোক্তাৰ ঃ

১৩৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত ঠিকাভিত্তিক কৰ্মচাৰীসকলে শেহতীয়াকৈ ১০% বাৰ্ষিক বৃদ্ধিৰ লগতে ৫০% তকৈ অধিক দৰমহা সংশোধন লাভ কৰা বুলি চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত কাম কৰা ঠিকাভিত্তিক কৰ্মচাৰীসকলকো একেধৰণৰ সুবিধা প্ৰদান কৰা হোৱা নাই কিয়, দুয়োটা একেটা বিভাগৰ অধীনত থকাৰ পাছতো আৰু গুৰুত্বপূৰ্ণ গ্ৰাম্য উন্নয়ন আঁচনি ৰূপায়ণ কৰাৰ পাছতো প্ৰদান কৰা হোৱা নাই কিয়?

(গ) মূল্য বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে পি এন আৰ ডিৰ চুক্তিবদ্ধ কৰ্মচাৰীৰ পাৰিতোষিকৰ কোনো মূল্যায়ন কৰিছে নেকি?

(ঘ) চৰকাৰে পি এন আৰ ডিৰ চুক্তিবদ্ধ কৰ্মচাৰীৰ পাৰিতোষিক সংশোধন কৰি এ এছ আৰ এল এমৰ কৰ্মচাৰীসকলক প্ৰদান কৰা নিয়মীয়া বাৰ্ষিক বৃদ্ধি ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ প্ৰস্তাব দিছে নেকি? যদি দিছে তেন্তে ইয়াৰ সবিশেষ আৰু যদি নাই তেন্তে ইয়াৰ কাৰণ জনাব।

(ঙ) এই বিভাগৰ অধীনত কাম কৰা ঠিকাভিত্তিক কৰ্মচাৰীসকলক সমগ্ৰ শিক্ষা অভিযান (এছ এছ এ)ৰ অধীনত ঠিকাভিত্তিক কৰ্মচাৰীসকলক প্ৰদান কৰা সুবিধাসমূহৰ দৰে পে-স্কেল সুবিধা, ডিয়াৰনেছ ভাট্টা (ডি এ) আৰু অন্যান্য সেৱা সুবিধা প্ৰদান কৰা হোৱা নাই কিয়? চৰকাৰে বিভাগসমূহৰ মাজত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ বাবে একেধৰণৰ দৰমহা আৰু সেৱাৰ সুবিধাৰ বাবে নীতি বিবেচনা কৰিছেনে?

(চ) ধিং সমষ্টিত বিগত ৫ টা বিত্তীয় বৰ্ষত MGNREGA আঁচনিৰ অধীনত মুঠ কিমানটা জব কাৰ্ডধাৰী পৰিয়ালে ১০০ দিনৰ কৰ্মসংস্থাপন লাভ কৰিছে? ধিং সমষ্টিত যোৱা ৫ টা বছৰত MGNREGA আঁচনিৰ কিমান পুঁজি আৱণ্টন দিয়া হৈছে? এই আঁচনিৰ অধীনত চলি থকা কিমানটা অমৃত সৰোবৰ নগাঁও জিলাত নিৰ্মাণ কৰা হৈছে আৰু কিমানটা অমৃত সৰোবৰ আঁচনি ধিং সমষ্টিত ৰূপায়িত হৈছে? সমষ্টি ভিত্তিত তালিকা দিব।

*বিষয় ঃ* **কৃষকসকলৰ উন্নত মানৰ বীজ**

মোঃ নুৰুল হুদা ঃ

১৩৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কৃষি বিভাগে বৰ্তমান কৃষকসকলক কি কি উন্নত মানৰ বীজ (শস্যভিত্তিক) প্ৰদান কৰি আছে? শস্য অনুসৰি বীজৰ নাম, জাত আৰু বিতৰণৰ আঁচনি/কাৰ্যসূচীৰ নামসহ বিতং তথ্য সদনত জনাব।

(খ) উক্ত উন্নত মানৰ বীজসমূহ কৃষকসকলক কি পদ্ধতিৰে বিতৰণ কৰা হয়? চৰকাৰী ভৰ্তুকি (Subsidy), বিনামূলীয়া বিতৰণ, কৃষক পঞ্জীয়ন, কৃষক উৎপাদক সংগঠন (FPO), সমবায় সমিতি অথবা অন্যান্য ব্যৱস্থাৰ জৰিয়তে বিতৰণ কৰা হয় নেকি, তাৰ সবিশেষ তথ্য সদনত জনাব।

(গ) বিগত তিনিটা বিত্তীয় বৰ্ষত ৰাজ্যখনত শস্যভিত্তিকভাৱে কিমান পৰিমাণৰ উন্নত মানৰ বীজ বিতৰণ কৰা হৈছে আৰু ইয়াৰ বাবে কিমান ধন ব্যয় কৰা হৈছে, জিলা ভিত্তিক তথ্য সদনত জনাব।

(ঘ) নগাঁও জিলাৰ ৰূপহীহাট বিধানসভা সমষ্টিত বিগত তিনিটা বিত্তীয় বৰ্ষত কিমানজন কৃষকে উন্নত মানৰ বীজ লাভ কৰিছে আৰু কোন কোন গাঁও, গাঁও পঞ্চায়ত অনুসৰি কিমান পৰিমাণৰ বীজ বিতৰণ কৰা হৈছে, তাৰ বিতং তথ্য সদনত জনাব।

(ঙ) ২০২৬-২৭ বিত্তীয় বৰ্ষত ৰূপহীহাট বিধানসভা সমষ্টিৰ কৃষকসকলক উন্নত মানৰ বীজ বিতৰণৰ বাবে বিভাগৰ কোনো বিশেষ পৰিকল্পনা আছে নেকি? থাকিলে তাৰ সবিশেষ তথ্য সদনত জনাব।

*বিষয় ঃ* **Block অফিসারের কর্তব্যরত সম্পর্কে**

শ্রীআমিনুল হক লস্কর ঃ

১৩৮। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) ১১৯ নং সোনাই বিধানসভার সোনাই ও বাশকান্দি উন্নয়ন খন্ডে কর্তব্যরত ব্লক অফিসার কারা?

(খ) কবে থেকে এই দুই ব্লক ডেভেলপমেন্ট অফিসাররা সোনাই ও বাশকান্দি ব্লকে দায়িত্বপ্রাপ্ত?

(গ) এই দুই ব্লক ডেভেলপমেন্ট অফিসারদ্বয়ের মূল নিয়োগ (Posting) কোথায় এবং কি পদে?

*বিষয় ঃ* **বৰলীয়া নদীৰ বাওঁফালৰ মথাউৰি নিৰ্মাণ**

শ্ৰীপ্ৰকাশ চন্দ্ৰ দাস ঃ

১৩৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰলীয়া নদীৰ বাওঁফালৰ মথাউৰিটোৱে মূলত হাজো সমষ্টিৰ এক বিশাল অঞ্চল বিশেষকৈ বিনপুৰ, বাঁহবৰী, ভৈৰাটোলা, কেতেকীবাৰী আদিকে ধৰি কেইবাখনো গাঁৱক নদীৰ বাঢ়নী পানীৰ পৰা সুৰক্ষা দি আহিছে। কিন্তু মথাউৰিটোৰ বহু অংশ মথাউৰি ও পথ হিচাপে নিৰ্মাণ কৰা হোৱা নাই। এই বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) মথাউৰিটোৰ কোন কোন অংশ মথাউৰি ও পথ (Embankment-cum-Road) হিচাপে নিৰ্মাণৰ বাবে বাকী আছে? (সদনত জনাব।)

(গ) মথাউৰিটোৰ এই বৈ যোৱা অংশখিনি মথাউৰি ও পথ (Embankment-cum-Road) হিচাপে নিৰ্মাণৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে নেকি?

(ঘ) যদি কৰিছে কেতিয়ালৈকে নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হৈ উঠিব? সদনত জনাব।

*বিষয় ঃ* **ধান ক্ৰয় কেন্দ্ৰ স্থাপন**

শ্ৰীসুৰেণ ফুকন ঃ

১৪০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান ধান ক্ৰয়ৰ কিমানটা কেন্দ্ৰ চৰকাৰৰ জৰিয়তে প্ৰতিষ্ঠা কৰা হৈছে?

(খ) কৃষি বিভাগে তিনিচুকীয়া জিলাৰ বুঢ়ীদিহিং মৌজাৰ কৃষকসকলৰ সুবিধা হোৱাকৈ সীমামুৰীয়া অঞ্চলটোত ধান ক্ৰয় কেন্দ্ৰ নিৰ্মাণৰ কিবা পৰিকল্পনা হাতত লৈছে নেকি?

*বিষয়ঃ* **গাঁৱৰ ভিতৰুৱা পথসমূহ নিৰ্মাণ সন্দৰ্ভত**

শ্ৰীচক্ৰধৰ গগৈ ঃ

১৪১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পঞ্চায়তলৈ অহা 15th বা 16th বিত্তীয় আয়োগ বা VB-GRAMG আঁচনিৰ ধনেৰে গ্ৰাম্য এলেকাত সিঁচৰিত হৈ থকা ভিতৰুৱা পথ সমূহ নিৰ্মাণৰ কিবা ব্যৱস্থা আছেনে? যদি আছে, কাৰ্য্যকৰী কৰণৰ বাবে কি ব্যৱস্থা হাতত লৈছে জনাব।

(খ) এই নিৰ্মাণ কাৰ্য্য কিভাৱে কৰা হয়, শিললীকৰণ নে পেভাৰ ব্লক দিয়া হয়? পেভাৰ ব্লক হলে প্ৰতি ১০০ মিটাৰত কিমান টকা আৰু শিললীকৰণ হলে প্ৰতি ১০০ মিটাৰত কিমান টকা নিৰ্ধাৰণ কৰা হয় জনাব।

*বিষয়ঃ* **জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত**

শ্ৰীদীপক কুমাৰ দাস ঃ

১৪২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা সমষ্টিৰ অন্তৰ্গত নসত্ৰ, মাজকুছি, বাৰাদি আৰু কেওঁটকুছিৰে সংলগ্ন প্ৰায় ১০০০ (এক হাজাৰ) বিঘা কৃষিভূমিত বৰ্তমানেও জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই, এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, ৰাজ্য চৰকাৰে ২০২৬-২৭ বৰ্ষৰ বাজেটত ওপৰোক্ত অঞ্চলসমূহৰ বাবে জলসিঞ্চনৰ আঁচনি গ্ৰহণ কৰিছে নেকি? জনাব।

*Sub.*: **Regarding Border outposts in Mariani LAC**

Shri RUPJYOTI KURMI :

143. Will the Minister of Border Protection and Development Department be pleased to state:

(a) Whether Government is aware that two Border Outposts (BOPs) are currently operational in Mariani Border area, namley at Ramkham and Mogroi.

(b) If so, whether Government will allot funds for construction of permanent buildings at these two BOPs.

(c) If so, by when such construction will be completed.

(d) Whether Government is aware of the need for establishment of BOPs at Holunguri Tea Estate and Nagajanka under Mariani LAC.

(e) If so, by when such BOPs will be sanctioned?

*বিষয়ঃ* **সীমান্ত এলেকাৰ সুৰক্ষা**

শ্ৰীমতী বেবী বেগম ঃ

১৪৪। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগলৈ চৰকাৰে কিমান ধন আৱণ্টন দিছে? ইয়াৰে কিমান ধন ব্যয় কৰা হৈছে? (বৰ্ষভিত্তিত বিস্তৃত তথ্য দাখিল কৰিব)

(খ) উক্ত ধনেৰে ৰাজ্যখনৰ কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? (বৰ্ষভিত্তিত বিস্তৃত তালিকা দাখিল কৰিব।)

(গ) ধুবুৰী বিধানসভা সমষ্টিৰ বাংলাদেশ সীমান্তৰ বিন্যাচৰা, নালিয়া, ভোগদহৰ পঞ্চায়তৰ বিভিন্ন স্থানত গৰাখহনীয়াই ভাবুকি সৃষ্টি কৰাত সীমান্তৰ কাঁইটীয়া বেৰ, বাট-পথ, সীমান্ত ৰক্ষী বাহিনীৰ পহৰা চকী ভাবুকিৰ সন্মুখীন হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, ইয়াৰ প্ৰতিৰোধ কল্পে কি কি আঁচনি গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দাখিল কৰিব।)

(ঘ) বাংলাদেশ সীমান্তৱৰ্তী বিন্যাচৰালৈ সীমান্ত ৰক্ষী বাহিনীৰ যাতায়তৰ সুবিধা হোৱাকৈ দুৰাহাটী বজাৰৰ পৰা বিন্যাচৰালৈ গঙ্গাধৰ নদীৰ ওপৰত এখন দলংসহ পথ নিৰ্মাণৰ ব্যৱস্থা কৰাৰ বিষয়টো চৰকাৰে বিবেচনা কৰিবনে?

(ঙ) ৰাষ্ট্ৰীয় সুৰক্ষাৰ স্বাৰ্থত সীমান্ত এলেকাৰ বাট-পথৰ উন্নয়ন আৰু গৰাখহনীয়া প্ৰতিৰোধ কৰি ভাৰতৰ ভূমি সুৰক্ষিত কৰাটো চৰকাৰৰ প্ৰথম অগ্ৰাধিকাৰ হয় নে? যদি হয়, এইক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দিব।)

*বিষয়ঃ* **পঞ্চায়ত আৰু গ্ৰামোন্নয়ন সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

১৪৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমান জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত আছে? নতুনকৈ গঠন হোৱা অঞ্চালিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ কাৰ্য্যালয় সমূহ কেতিয়া প্ৰতিষ্ঠা কৰিব? গোৱালপাৰা পূৱ সমষ্টিৰ অধীনত থকা গৰুচটকা পদুপাৰা, নয়াপাৰা, ৰাক্ষসিনী, ভালুকডুবী, টুকৰা আৰু পাইকান পঞ্চায়তৰ কাৰ্য্যালয়সমূহ কেতিয়া প্ৰতিষ্ঠা কৰিব? তথ্য সহকাৰে জনাব।

(খ) ২০১৯ চনৰ পৰা ২০২৬ চনলৈকে অসমৰ বিভিন্ন জিলা সমূহৰ 15th Finance ৰ

বৰ্তমানলৈকে সৰ্বমুঠ কিমান টকা পাইছে? ইয়াৰ কিমান টকা খৰচ হৈছে আৰু কিমান টকা খৰচ হ'বলৈ বাকী আছে? বাকী থকাৰ কাৰণ কি? আৰু কেতিয়ালৈ এই টকাখিনি খৰচ কৰা হ'ব? জিলা ভিত্তিত চন সহ তথ্য সহকাৰে জনাব।

(গ) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত সমূহৰ বিভিন্ন শিতানৰ পৰা সংগ্ৰহ হোৱা কৰৰ কোনে কিমান শতাংশ পায় আৰু তাৰে কিমান শতাংশ জিলা পৰিষদে আদায় দিলে আৰু কিমান বাকী ৰাখিলে, বাকী ৰখাখিনি কেতিয়া আদায় দিব? তথ্য সহকাৰে জনাব।

(ঘ) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ হাট-ঘাটসমূহ কেনেকৈ কোনে চলাই আছে আৰু কি নিয়মৰ ভিত্তিত আবণ্টন দিয়া হৈছে? গোৱালপাৰা জিলাৰ কোন কোন হাট-ঘাট কোন কোন ব্যক্তি বা প্ৰতিষ্ঠানক দিয়া হৈছে? তালিকা সহ তথ্য সহকাৰে জনাব।

*Sub.* : **Status of Rongpur Development Block.**

Shri RAJDEEP GOALA :

146. Will the Minister of Panchayat and Rural Development Department be pleased to state:

Is there any proposed to construct a new office building for newly created Rongpur Development Block, Cachar under my Udharbond Constituency? If yes, please furnish the details.

*বিষয়ঃ* অসমীয়াৰ সূত্ৰ নিৰ্ধাৰণ

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

১৪৭। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি ৬ নং দফা ৰূপায়ণ সন্দৰ্ভত অসমীয়াৰ সূত্ৰ নিৰ্ধাৰণ কৰা হৈছে নেকি? বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) যদি অসমীয়াৰ সূত্ৰ নিৰ্ধাৰণ হোৱা নাই তেনেহ'লে এই সূত্ৰ সকলো অংশীদাৰৰ লগত আলোচনা কৰি কেতিয়ালৈকে নিৰ্ধাৰণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব?

*বিষয়ঃ* গ্ৰাম্য নিয়োগ

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

১৪৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) MGNREGA আঁচনি বন্ধ কৰাৰ ফলত কোনো উন্নয়নমূলক কাম অসমাপ্ত আৰু শ্ৰমিকৰ মজুৰি অনাদায় হৈ আছে নেকি? খণ্ড উন্নয়ন ভিত্তিত তথ্য দিব।

(খ) উক্ত অসমাপ্ত আঁচনিসমূহ সম্পূৰ্ণ কৰা আৰু শ্ৰমিকৰ অনাদায় মজুৰি প্ৰদান কৰাৰ বাবে কি ব্যৱস্থা হাতত লোৱা হৈছে? বিতং জনাব।

(গ) গ্ৰাম্য নিয়োগৰ বাবে নতুন কি আঁচনি গ্ৰহণ কৰা হৈছে? সেই আঁচনিৰ দ্বাৰা কি কি উন্নয়নমূলক কাম ৰূপায়ণ কৰিব পৰা যাব?

(ঘ) নতুনকৈ গ্ৰহণ কৰা গ্ৰাম্য নিয়োগ আঁচনি কাৰ্য্যকৰী পৰিকল্পনা (Action Plan) কোন কৰ্তৃপক্ষই কি নিয়মৰ মাজেৰে প্ৰস্তুত কৰিব? এই আঁচনিৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষত কোনো ধৰণৰ পুঁজিৰ আবণ্টন দিছে নেকি? বিতংকৈ জনাব।

*Sub.* : **Erosion**

Shri PANIRAM BRAHMA :

149. Will the Minister of Water Resources Department be pleased to state:

(a) Is the Government aware that under Sidli-Chirang (ST) LAC the Aai

and Nangal River has been drastically by erosion more than 40% Northern affected areas i.e. -Amteka, Roumari, Khunkrajhora, Nangal Bhanga, Nijla etc. and downstream areas i.e. Nepal Bazar, Rowmary, Dowkanagar. and many have are become homeless?

(b) If yes, then will the Government do the needful and survey the erosion affected areas as early as possible and allot sufficient fund to Protect the erosion areas in this financial year 2026-2027?

*বিষয়ঃ* অসমৰ প্ৰতি ডৰা পথাৰত জলসিঞ্চনৰ ব্যৱস্থা।

শ্ৰীঅখিল গগৈ ঃ

১৫০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মুঠ ভৌগোলিক মাটিৰ পৰিমাণ, মুঠ খেতি কৰা মাটিৰ (Gross Sown Area) পৰিমাণ কিমান? মাটিৰ জিলাভিত্তিক হিচাপ দাখিল কৰিব।

(খ) ৰাজ্য চৰকাৰৰ জলসিঞ্চনৰ নিজা সক্ৰিয় আঁচনিসমূহ কি কি? বিগত ১০ বছৰত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত লাভ কৰা মুঠ ধনৰ সবিশেষ পৰিমাণ জনাবনে? এই কেন্দ্ৰীয় ধনেৰে প্ৰকৃততে কিমান হেক্টৰ কৃষিপথাৰত নতুনকৈ জলসিঞ্চনৰ সুবিধা উপলব্ধ কৰা হ'ল?

(গ) অসমৰ প্ৰতি টুকুৰা কৃষিপথাৰতে বছৰৰ সকলো সময়তে জলসিঞ্চনৰ সুনিশ্চিতভাৱে যোগান ধৰি উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যৰে চৰকাৰে কিবা সুদূৰপ্ৰসাৰী পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

Assam Government Press 139/26-LAQ-600-02-07-2026